প্ৰয়াত সাংবাদিক আনোৱাৰৰ পত্নীৰ কৰ্মসংস্থাপন

# অধ্যক্ষক বিধানসভাৰ প্ৰেছ কমিটীৰ সদস্যৰ সাক্ষাৎ

**ষ্টাফ ৰিপৰ্টাৰ, ১ ছেপ্টেম্বৰ ঃ** জ্যেষ্ঠ সাংবাদিক তথা ৰাজনৈতিক নিবন্ধকাৰ প্ৰয়াত আনোৱাৰ হুছেইনৰ পত্নীৰ কৰ্মসংস্থাপনৰ বিষয়ক লৈ আজি অসম বিধানসভাৰ প্ৰেছ কমিটীয়ে বিধানসভাৰ অধ্যক্ষক সাক্ষাৎ কৰে। সাক্ষাতৰ সময়ত প্ৰেছ কমিটীৰ সদস্যসকলে বিধানসভাৰ অধ্যক্ষ ৰঞ্জিত দাসক প্ৰয়াত সাংবাদিকগৰাকীৰ পত্নীক বিধানসভাৰ সচিবালয়ত নিযুক্তিৰ ব্যৱস্থা কৰিবৰ বাবে অনুৰোধ জনায়। কমিটীৰ সদস্যসকলৰ অনুৰোধ অতি গুৰুত্ব সহকাৰে লৈ অধ্যক্ষ দাসে বিধানসভা সচিবালয়ত পদ খালী হ'লেই সাংবাদিক হুছেইনৰ পত্নীক নিযুক্তি দিয়াৰ আশ্বাস দিয়ে। প্ৰসংগক্ৰমে অধ্যক্ষ দাসে কমিটীৰ সদস্যসকলক জনায় যে তেওঁ কাইলৈ পৰিয়ালৰ খবৰ ল'বলৈ প্ৰয়াত সাংবাদিকগৰাকীৰ হাতীগাওস্থিত ঘৰত উপস্থিত হ'ব। উল্লেখ্য যে দুৰাৰোগ্য কৰ্কট ভুগি যোৱা ২৭ আগষ্টত এইগৰাকী সাংবাদিকে ইহসংসাৰৰ পৰা বিদায় লয়। মৃত্যুৰ সময়ত সাংবাদিক হুছেইনে পত্নী, এটি পুত্ৰ আৰু এগৰাকী কন্যাক এৰি থৈ গৈছে। প্ৰয়াত সাংবাদিকগৰাকীৰ অবৰ্তমানত দ্বিতীয়জন উপাৰ্জনক্ষম ব্যক্তি নথকাত পৰিয়ালটো সম্প্ৰতি ভৰণ-পোষণক লৈ অনিশ্চয়তাৰ মাজত সোমাই পৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত বিধানসভাৰ প্ৰেছ কমিটীৰ সদস্যসকলে আজি অধ্যক্ষ দাসক সাংবাদিকগৰাকীৰ পত্নীক কৰ্মসংস্থাপনৰ বাবে অনুৰোধ জনায়।

Held on 31/8/2016

# এম জি কলেজত নৱাগতক আদৰণি

**নিয়মীয়া বাৰ্তা, যোগীঘোপা, ১ ছেপ্টেম্বৰ ঃ** ধৈৰ্য, নিষ্ঠা আৰু একাগ্ৰতা থাকিলে ছাত্ৰ এজন উন্নতিৰ শিখৰত উঠিব পাৰে।— এই মন্তব্য বিশিষ্ট সাহিত্যিক, অভিনেতা তথা গোৱালপাৰা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক শৈলেন শৰ্মাৰ। কালি যোগীঘোপাৰ চলন্তাপাৰাস্থিত মহাত্মা গান্ধী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ নৱাগত আদৰণী সভাত মুখ্য অতিথিৰ ভাষণ দি তেওঁ এইদৰে কয়। মহাবিদ্যালয়খনৰ অধ্যক্ষ শেখ ফকৰুদ্দিন আলী আহমেদৰ সভাপতিত্বত অনুষ্ঠিত আদৰণী সভাত উপাধ্যক্ষ মেহবুবৰ ৰহমান, অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা বন্দনা কলিতা, অৰ্থনীতি বিভাগৰ প্ৰৱক্তা আমিন তহিদুল ইছলাম আৰু ৰাজনীতি বিভাগৰ প্ৰৱক্তা এবাদুল হুছেইনে নৱাগত ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি ভাষণ দিয়ে। আনহাতে, অধ্যক্ষ শেখ ফকৰুদ্দিন আলী আহমেদে অসমীয়া বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'সাহিত্যজ্যোতি' উন্মোচন কৰে। আদৰণী সভাখনৰ বিভিন্ন কাৰ্যসূচীৰ আঁত ধৰে মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক আব্দুৰ ৰাজ্জাকে। উল্লেখ্য যে অসমীয়া বিভাগৰ শ্ৰেষ্ঠ নৱাগতা হিচাপে বৰ্ণালী দাস আৰু দ্বিতীয় শ্ৰেষ্ঠ হিচাপে বিউতি দাসে বঁটা লাভ কৰে।

তৃতীয় পৃষ্ঠাৰ পৰা

গণপতিবাদত উত্তাল গোৱালপাৰা

01/08/016

বৰপেটাত শিক্ষক-কৰ্মচাৰী ঐক্যমঞ্চৰ সভা

# 'ৰাজ্য চৰকাৰে অপ্ৰাদেশীকৃত শিক্ষক-কৰ্মচাৰীক মানসিক অত্যাচাৰ চলাইছে'

**প্ৰতিদিন সংবাদ, বৰপেটা, ৩১ জুলাই ঃ** পৰিবৰ্তনকামী চৰকাৰখনে ৰাজ্যৰ ত্ৰিশ সহস্ৰাধিক অপ্ৰাদেশীকৃত শিক্ষক-কৰ্মচাৰীক মানসিক অত্যাচাৰ চলোৱাৰ ভয়াবহ ইংগিত দিছে। এই অভিযোগ অসম শিক্ষক-কৰ্মচাৰী ঐক্যমঞ্চৰ সহকাৰী সম্পাদক প্ৰাঞ্জল কুমাৰ শৰ্মাৰ। আজি বৰপেটাত অসম শিক্ষক-কৰ্মচাৰী ঐক্যমঞ্চৰ জৰুৰী সাধাৰণ সভাত অংশগ্ৰহণ কৰি শিক্ষা মন্ত্ৰী ড° হিমন্তবিশ্ব শৰ্মাই প্ৰাদেশিকীকৰণ সন্দৰ্ভত গ্ৰহণ কৰাৰ শেহতীয়া স্থিতিত সৰৱ হৈ পৰে ঐক্যমঞ্চৰ নেতাগৰাকী। তৰুণৰাম ফুকন স্মৃতি প্ৰেক্ষাগৃহত মতিলৰ ৰহমানৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত ঐক্যমঞ্চৰ নেতা প্ৰাঞ্জল কুমাৰ শৰ্মাই কয় যে শিক্ষা মন্ত্ৰী ড° হিমন্তবিশ্ব শৰ্মাই প্ৰাদেশিকীকৰণ বিধেয়ক-২০১১ আৰু সংশোধনী ২০১২, ২০১৩ খন সম্পূৰ্ণৰূপে কাৰ্যকৰী কৰাৰ সলনি প্ৰাদেশিকীকৰণ প্ৰক্ৰিয়াক লেহেমীয়া কৰাত উঠিপৰি লাগিছে। যোৱা বিধানসভা নিৰ্বাচনৰ প্ৰায় প্ৰতিখন নিৰ্বাচনী সভাতে শিক্ষানুষ্ঠান প্ৰাদেশিকীকৰণ সন্দৰ্ভত যি প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল, সেই প্ৰতিশ্ৰুতি পূৰণ কৰাত শিক্ষা মন্ত্ৰীগৰাকী ব্যৰ্থ হোৱা বুলি উল্লেখ কৰি শৰ্মাই কয় যে মন্ত্ৰীগৰাকীয়ে নিজৰ ব্যৰ্থতা ঢাকিবলৈ প্ৰাদেশিকীকৰণ কৰিব লাগিলে ভেট বৃদ্ধি কৰিব লাগিব বুলি মন্তব্য কৰিছে। প্ৰাদেশিকীকৰণ আইনৰ আওতাত অন্তৰ্ভুক্ত শিক্ষানুষ্ঠানসমূহ ১৫ আগষ্টৰ ভিতৰত প্ৰাদেশিকীকৰণ কৰিবই লাগিব বুলি শৰ্মাই দাবী উত্থাপন কৰে। অন্যথা পৰিবৰ্তনকামী চৰকাৰখনৰ বিৰুদ্ধে শিক্ষক সমাজ ৰাজপথলৈ ওলাই আহিবলৈ বাধ্য হ'ব বুলি সকীয়াই দিয়ে ঐক্যমঞ্চৰ নেতাগৰাকীয়ে। সভাত কামৰূপ, মৰিগাঁও, নগাঁও, কোকৰাঝাৰ, বঙাইগাঁও, ধুবুৰী, গোৱালপাৰা, চিৰাং, বাক্সা, নলবাৰী, ওদালগুৰিৰ লগতে বৰপেটা সমিতিৰ বিষয়বববীয়াই অংশগ্ৰহণ কৰে। এই সভাতে কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। চলিত বিধানসভাৰ অধিবেশনত শিক্ষানুষ্ঠান প্ৰাদেশিকীকৰণ সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণ কৰিবলৈ ৰাজ্য চৰকাৰক দাবী জনাই প্ৰস্তাৱ গ্ৰহণ কৰাৰ লগতে সভাই প্ৰাদেশিকীকৰণ সন্দৰ্ভত নীৰৱ ভূমিকা গ্ৰহণ কৰা জনপ্ৰতিনিধিৰ ভূমিকাক ধিক্কাৰ দিয়ে। বাহ্নিক ভিত্তিত অনুষ্ঠিত সাধাৰণ সভাৰ পূৰ্বে আজি একেটা স্থানতে বৰপেটা জিলা সমিতিৰো এখন সভা অনুষ্ঠিত হয়। এই সভাতে নিজামউদ্দিন মল্লিকক মুখ্য উপদেষ্টা, ছবেদ ভূএগক মুখ্য অতিথি, আমিৰুল ইছলামক মুখ্য সম্পাদক, পুলেন্দ্ৰ দাসক যুটীয়া সম্পাদক হিচাপে লৈ ঐক্যমঞ্চৰ বৰপেটা জিলা সমিতিখন নতুনকৈ গঠন কৰা হয়।

বৰপেটাৰোড প্ৰেছ ক্লাব

# ৰূপালী জয়ন্তী উদ্‌যাপন সমিতি গঠন

**প্ৰতিদিন বিশেষ সংবাদ, বৰপেটাৰোড, ৩১ জুলাই ঃ** বৰপেটাৰোড প্ৰেছ ক্লাবৰ ৰূপালী জয়ন্তী উদ্‌যাপনৰ প্ৰস্তুতি সন্দৰ্ভত আলোচনা কৰিবলৈ আজি এখন সাধাৰণ সভা অনুষ্ঠিত হয়। প্ৰেছ ক্লাবৰ সভাপতি মহম্মদ শিকদাৰৰ সভাপতিত্বত অনুষ্ঠিত উক্ত সভাত স্থানীয় সাংবাদিক, সাহিত্যিক, বুদ্ধিজীৱীসকলে অংশগ্ৰহণ কৰি বৰপেটাৰোড প্ৰেছ ক্লাবৰ ৰূপালী জয়ন্তী সফলভাৱে উদ্‌যাপন কৰাৰ বাবে দিহা-পৰামৰ্শ আগবঢ়ায়। সভাখনত ভাষণ দি বৰপেটাৰোড প্ৰেছ ক্লাব গঠনৰ আঁৰৰ মূল ব্যক্তি, লেখক হিতেশ দাসে প্ৰেছ ক্লাবৰ ভৱিষ্যৎ কৰ্মসূচীৰ বিষয়ত আলোকপাত কৰে। কবি কৰ্ণজিৎ বৰ্মন, কবি-সাহিত্যিক ডাঃ হৰেন চৌধুৰী, প্ৰৱক্তা দীপিকা চৌধুৰী, সাংবাদিক ভেক কুমাৰ শৰ্মা, কৰ্ণজিৎ দাস, 'অসমীয়া প্ৰতিদিন'ৰ সাংবাদিক ধ্ৰুৱজ্যোতি পাঠক, সাংবাদিক অৰূপ বায়ন, বৰপেটাৰোড প্ৰেছ ক্লাবৰ সম্পাদক অলকেশ বায়ন, সাংবাদিক ৰূপজিৎ দাস, ধ্ৰুৱজ্যোতি নাথ, ছহিদুল ইছলাম, জাহিদুল ইছলাম, স্থানীয় ব্যৱসায়ী মনোজ কুমাৰ চিকৰিয়া, কুলেন চৌধুৰী, এম চি এল এ গৌতম দাস প্ৰমুখ্যে বক্তাসকলে ৰূপালী জয়ন্তী উদ্‌যাপন সন্দৰ্ভত বিভিন্ন দিহা-পৰামৰ্শ দিয়ে। এই সভাত বৰপেটাৰোড প্ৰেছ ক্লাবৰ ৰূপালী জয়ন্তীৰ উদ্বোধনী অনুষ্ঠান অহা ২৮ আগষ্টত উদ্‌যাপনৰ সিদ্ধান্ত লোৱা হয়। সভাই বৰপেটাৰোড প্ৰেছ ক্লাবৰ সভাপতি ৰমেশ সাহাক মুখ্য সভাপতি, ভেক কুমাৰ শৰ্মাক সভাপতি, মহম্মদ শিকদাৰক কাৰ্যকৰী সভাপতি আৰু অলকেশ বায়ন, ৰূপজিৎ দাসক সাধাৰণ সম্পাদক হিচাপে লৈ ৰূপালী জয়ন্তী উদ্‌যাপন সমিতি গঠন কৰে।

CS CamScanner